# এবছাৰ্ড নাটক আৰু অসমীয়া নাটকত ইয়াৰ প্ৰয়োগ

নতুন জীৱনবোধ আৰু চিৰজাগ্ৰত শিল্পচেতনাই সাহিত্যত এক নৱজাগৰণৰ পাতনি মেলিছিল। এই নৱজাগৰণে প্ৰচলিত নাটকৰ বিষয়বস্তু আৰু কলাকৌশলৰ বিৰুদ্ধে প্ৰতিবাদ জনাই এক পৰিৱৰ্তনৰ ঢল বোৱাই আনিছিল নাট্যজগতৰ পৰিমণ্ডললৈ, ইয়াৰ পৰিণতিতেই নাট্য সাহিত্যত ভুমুকি মাৰিলে এবছাৰ্ড অথবা উদ্ভট নাটকে।

এবছাৰ্ড শব্দটোৱে অদ্ভুত, সংগতিবিহীন, বিসংগতি আদি অৰ্থবোধ কঢ়িয়াই আনে। এবছাৰ্ড শব্দটোৰ লগত এক নতুন ভাৱনা জড়িত হৈ আছে, সেয়া হৈছে মানৱ জীৱনবোধক এক বিশেষ নতুন দৃষ্টিভংগীৰে চোৱা আকাংক্ষা। প্ৰচলিত নাটকৰ বিপৰীতে এবছাৰ্ড নাটকত কোনো ধৰণৰ সু-সংহত কাহিনী, অৰ্থপূৰ্ণ সংলাপ থকা দেখা নাযায়। ইয়াত বিৰাজ কৰে মাথোঁ এক বিচ্ছিন্ন, ঐক্যহীন আৰু অবান্তৰ ঘটনাই। সংগতিহীন, আচহুৱা, অপৰিচিত, অসংলগ্ন ভাব আৰু ভাষাই যেন নুবুজা সাঁথৰৰ ভেদ ভাঙিবলৈ অবিৰতভাৱে প্ৰয়াস কৰে মাথোন। এবছাৰ্ড নাটকক আমি মানৱ জীৱনৰ অৰ্থশূন্যতাবোধৰ - এক নাটকীয় মুক্ত প্ৰকাশ বুলিও ক'ব পাৰো। মানৱজীৱনৰ বাকৰুদ্ধ যন্ত্ৰণা, বিষাদময় লগ্ন আৰু বিফলতাক যেন এবছাৰ্ড নাটকে সকীয়াই দিয়ে।

প্ৰাচীন নাট্য সাহিত্যত এবছাৰ্ড নাটকৰ লক্ষণ সুপ্তভাৱে প্ৰবাহিত হৈ আছিল যদিও দ্বিতীয় মহাযুদ্ধৰ ভয়াৱহ বিভীষিকাৰ ফলত এই নাট্যধাৰাই স্পষ্টৰূপত দেখা দিয়ে। মাৰ্টিন এছলিনে এবছাৰ্ডৰ ধাৰণাৰ উৎস নীৎসেৰ জৰথুষ্ট্ৰৰ মাজত অন্বেষণ কৰি কৈছে যে ১৮৮৩ খ্ৰীষ্টাব্দত জৰথুষ্ট্ৰ প্ৰকাশ হোৱাৰ প্ৰায় ছটা দশকৰ পিছত, অৰ্থাৎ মানুহে দুখন বিশ্বযুদ্ধৰ ভয়াৱহতাৰ মাজেদি পাৰ হৈ অহাৰ পিছত জীৱনৰ পূৰ্বৰ লক্ষ্য আৰু উদ্দেশ্য হেৰুৱাই পেলালে আৰু জীৱনক অৰ্থহীন, অসংলগ্ন, যুক্তিহীন আৰু হাস্যকৰ ৰূপত দেখা পাবলৈ ধৰিলে।[১]

১) শইকীয়া, নগেন (ড°) এবছাৰ্ড নাটক, সম্পা. ঃ মৃণাল কুমাৰ গগৈ।(গৰীয়সী সংঘ, ডিব্ৰুগড়), পৃ- ২৮০

Scanned by CamScanner

এবছার্ড বা উদ্ভট নাট্য আন্দোলনৰ মাধ্যমত যি সকল নাট্যকাৰে বোধ আৰু জীৱনৰ ৰহস্যময় দিশটোৰ সন্ধানত অগ্রসৰ হৈছিল তেওঁলোকৰ ভিতৰত চেমুৱেল বেকেট, ইউজিন আয়নেস্কো, আর্থাৰ আদামভ, ঝ জেনে, ফার্ণাণ্ডো আৰবল, হেৰল্ড পিন্টাৰ, এডৱার্ড এলবী, গুন্টাৰ গ্রাছ, টিম্পচনৰ নাম চিৰস্মৰণীয়।

মানৱজীৱনৰ অৰ্থহীনতা আৰু নিৰৰ্থকতাৰ উপলব্ধি কৰাবলৈ গৈ এলবেয়াৰ কেম্যুৱে তেওঁৰ বিখ্যাত The Myth of Sisyphus, 1942 আৰু তেওঁৰ উপন্যাস The Outsider, 1942 ত প্ৰথম এবছাৰ্ড শব্দটোৰ ব্যৱহাৰ কৰিছিল। ফ্রান্সত বেকেট, আয়নেস্কো আৰু ঝঁ জেনেৰ উপন্যাস আৰু নাটকেই এবছাৰ্ড থিয়েটাৰলৈ কঢ়িয়াই আনিছিল অভিনৱ আলোড়ন। আমেৰিকাত আভাগাৰ্ড নাট্যকাৰ এলবী আৰু জেক গেলবাৰ, ইংলেণ্ডত হেৰল্ড পিন্টাৰ আৰু ছুইচ নাট্যকাৰ ফ্রিডৰিক ডুৰেনমাটক এবছাৰ্ড ধাৰাত বিশ্বাসী বুলি ক'ব পাৰি।

মহাযুদ্ধৰ জুইত নৈতিকতাৰ মূল্য হ্ৰাস, ইংলেণ্ড, ৰুছ আৰু চীন দেশত শিল্প সামাজিক আৰু অৰ্থনৈতিক বিপ্লৱৰ ফলশ্ৰুতিৰে অসম্পূৰ্ণতা আৰু বিকৃতি, হিটলাৰ আৰু মুছোলিনীৰ পাশৱিক শক্তিৰ নিষ্ঠুৰতা, বৰ্বৰতা, মাৰ্কিন সমাজত নিগ্ৰো পীড়ন, প্ৰভাৱশালী গোষ্ঠীৰ শোষণেৰে ইউৰোপত নৱজাগৰণৰ লগতে ইউৰোপীয় নাট্য আন্দোলনৰ মাজেৰে উদ্ভট চিন্তাধাৰাৰ বীজ ৰোপণ কৰিবলৈ সক্ষম হৈছিল। সাধাৰণ মানুহৰ জীৱনৰ বিফলতা আৰু বিছিন্নতাক বৰ্ণনা কৰি আয়নেস্কোৱে কৈছিল, 'Man cut off his religious metaphysical and trancendental roots' সেইদৰে কেম্যুৱে কৈছিল, 'The felling of absurdity is produced when alienation is seen in man and his life, actor and his setting.'[২] বিজ্ঞানৰ অভিনৱ আৱিষ্কাৰে মানৱ জীৱনলৈ উপকাৰৰ লগতে ধ্বংসৰ বিভীষিকা আদৰণি জনাই মানৱ জীৱনক ক্ষন্তেকতে মূল্যহীন কৰি তোলে সেয়েহে আস্থাহীন বিফল জীৱনলৈ লক্ষ্য কৰি মাৰ্টিন এচলিনে বৰ্ণনা কৰি কৈছিল, 'Suddenly man sees himself faced with a Universe that is both frightening and illogical in a word, absurd. All assurance of hope, all explanations of ultimate meaning have suddenly been unmarked as monsensical illusions, empty chatter........................'

এবছাৰ্ড নাটকৰ পৃথিৱীখন হৈছে এক উদ্দেশ্যহীন পৃথিৱী। কিছুমান লক্ষ্যবিহীন, উদ্দেশ্যবিহীন কাৰ্য্যকলাপ, লক্ষ্যবিহীন চৰিত্ৰই এই উদ্ভট নাটকৰ পৃথিৱীত বিচৰণ

(২) শইকীয়া, বসন্ত - আধুনিক নাট্য সাহিত্যৰ সুবাস, পৃ- ১১০

Scanned by CamScanner

কৰে অৰ্থহীনভাৱে। উদ্ভট নাটকত কোনো ধৰণৰ নৈতিক বা সামাজিক শিক্ষাদান কৰা নহয়, তাৰ পৰিবৰ্তে ইয়াত এক ব্যক্তি বিশেষৰ এটা পৰিস্থিতিৰ বিষয়ে বৰ্ণনা কৰি দেখুওৱা হয়।

কাব্যিকতাক এবছাৰ্ড নাটকৰ এক বিশেষ বৈশিষ্ট্য বুলি ক'ব পাৰি। এই কাব্যিকতাই এবছাৰ্ড নাটকলৈ ৰহস্যৰ প্ৰলেপ সানি এটা বিশেষ পৰিস্থিতিক এক অৰ্থহীন, উদ্দেশ্যহীন, জগতলৈ টানি আনি এটা নতুন অৱক্ষয়ৰ দৰ্শন আমাৰ আগত দাঙি ধৰে।

এক বিশাল শূন্যতাই হৈছে এবছাৰ্ড নাটকৰ দৰ্শন। এবছাৰ্ড নাটকৰ আন বৈশিষ্ট্যবোৰলৈ লক্ষ্য কৰিলে আমি বৰ্ণনা কৰিব পাৰো এনেদৰে - এবছাৰ্ড নাটকত মানৱ জীৱনৰ বহিৰ্বিশ্বৰ পৰিবৰ্তে মানৱ মনৰ গভীৰতাক উপলব্ধি কৰাত গুৰুত্ব আৰোপ কৰা হয়।

মানৱৰ অলীক কল্পনা আৰু পাৰ্থক্য অস্বীকাৰ কৰাও উদ্ভট নাটকৰ এক বৈশিষ্ট্য।

উদ্ভট নাটকত ব্যক্তিমানসৰ সুবিধামতে সময়ক পৰিচালনা কৰা হয়।

উদ্ভট নাটকত দৈনন্দিন ব্যৱহৃত ভাষাৰে প্ৰতীক আৰু অদ্ভুত কথা প্ৰকাশ কৰা হয়। এবছাৰ্ড নাটকত আধুনিক মানৱৰ অৰ্থহীন বাস্তৱক আপোচবিহীনভাৱে উদঙাই দিবলৈ প্ৰয়াস কৰা হয়।

এবছাৰ্ডবাদী নাট্যকাৰ চেমুৱেল বেকেটৰ **ৱেটিং ফৰ** গডো বিশ্বসাহিত্যৰ এক কালজয়ী সৃষ্টি। পৰম্পৰাগত নাটকৰ সকলো ৰীতি-নীতি ভংগ কৰি, পৰম্পৰাগত নাটকৰ আৱেষ্টনীৰ পৰা ওলাই আহি নাট্যকাৰ বেকেটে সম্পূৰ্ণ নতুন আংগিক আৰু বিষয়বস্তুৰে নিজৰ স্বকীয়তা প্ৰতিপন্ন কৰিবলৈ সফল হৈছিল উল্লিখিত নাটখনৰ জৰিয়তে। এতিয়ালৈকে পৃথিৱীৰ পঁচিছটা ভাষালৈ অনূদিত এই ফৰাছী নাটকখন পৃথিৱীত প্ৰায় সকলো মহানগৰীতে অভিনীত হৈছে। নাটকখন নাটকীয় নোহোৱাটোৱেই ইয়াৰ এক প্ৰধান বৈশিষ্ট্য। **ৱেটিং ফৰ গডো** নাটকত নাট্যকাৰে মানৱ জীৱনৰ নিৰ্মম নগ্নতাক বিভিন্ন প্ৰতীকৰ সহায়েৰে উদঙাই দিছে। নাটকৰ আৰম্ভণিতে দেখা পোৱা লঠঙা গছজোপাই এবছাৰ্ডবাদীসকলৰ জীৱন সম্পৰ্কে এক বিশেষ দৃষ্টিভংগী প্ৰকাশ কৰিছে। নাটকখনৰ দ্বিতীয় অংকত লঠঙা গছজোপাৰ সামান্য পাত মেলা কাৰ্যই এবছাৰ্ডবাদী সকল যে পৰিবৰ্তনশীল মানৱজীৱনৰ দৰ্শনত বিশ্বাসী সেয়া প্ৰতিপন্ন কৰিব পাৰিছে যথাৰ্থভাৱে।

Scanned by CamScanner

এবছাৰ্ডবাদীসকলৰ মতে মানৱ জীৱনটো অতি যন্ত্ৰনাদায়ক আৰু অৰ্থহীন। যন্ত্ৰনাদায়ক হ'লেও মানৱে এই জীৱনৰ মোহ সহজে এৰি দিব নোৱাৰে। তদুপৰি জন্ম-মৃত্যু আদি মানৱৰ অধীন হ'ব নোৱাৰে। চেমুৱেল বেকেটৰ নাটকত অস্তিত্বহীনতা আৰু অৰ্থহীনতাৰ বিষাদৰ করুণ সুৰ অহৰহ বাজি থাকে। বেকেটৰ নাটকত গভীৰ পৰ্যবেক্ষণ শক্তি আৰু কাব্যময় ব্যঞ্জনা বিচাৰি পোৱা যায়।

এবছাৰ্ড নাটকৰ আন এজন উল্লেখনীয় নাট্যকাৰ হ'ল ইউজিন আয়নেস্কো। ব্ৰেখটৰ নিচিনাকৈ তেওঁ ইল্যুচন (Illusion) ভাঙি দৰ্শকক অসম্ভৱৰ পৃথিৱীত বিচৰণ কৰাইছিল। দৰ্শক যাতে ভাবাবেগত বিহ্বল নহয়, সেই ফালেও তেওঁ লক্ষ ৰাখিছিল। Contradiction আৰু Absurdity ৰ মাজত Abstract reality আয়নেস্কোৱেই বিচাৰি পাইছিল। ইউজিন আয়নেস্কোৰ নাটসমূহ এবছাৰ্ড ভাবাদৰ্শৰ বিশিষ্ট পৰিচয় বুলিব পাৰি। আয়নেস্কোৰ নাটকৰ নাট্যবস্তু প্ৰধানতঃ চিৰন্তন মানৱ অন্তৰ্লোক। Individual free thinking তেওঁৰ নাটকৰ প্ৰধান বৈশিষ্ট্য। আয়নেস্কোৱে উল্লেখ কৰিছে -

'It is my dream, my anguish, my dark desires, inner contradiction that I reserve the right to find the stuff of my plays. It is a part of the heritage of my ancestors, a very ancient deposit to which all mankind may lay claim'[৩]

আয়নেস্কোৰ নাটকে দৰ্শক সমাজক সচেতন কৰি তুলি জীৱনৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰাত সহায় কৰে।

এবছাৰ্ড নাট্যকাৰসকলে মানৱ জীৱনৰ নিসংগতা, আৰু অন্তঃসাৰশূন্যতাৰ বিষয়ে দৰ্শক তথা মানৱ সমাজক সচকিত কৰি তুলিবৰ বাবেই যেন দৰ্শকৰ হিয়াত কঠোৰভাৱে আঘাত কৰি নাটকসমূহ ৰচনা কৰে। সেয়েহে হয়তো বহু সমালোচকে এবছাৰ্ড নাটকক Theatre of Cruelty বুলি কৈছে।

দ্বিতীয় মহাযুদ্ধই চেলেকি যোৱা সমগ্ৰ বিশ্বতে সভ্যতা, সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰতে পৰিবৰ্তনৰ কোবাল সোঁতৰ আগমন হয়। এই নতুন পৰিবৰ্তনে পুৰণি অস্তিত্বৰ সাজ সলাই নতুন প্ৰজ্ঞাৰ সাজ পিন্ধাবলৈ লেখক, দাৰ্শনিক আৰু বুদ্ধিজীৱী সকলক অনুপ্ৰাণিত কৰিলে। এবছাৰ্ড ভাবাদৰ্শৰ স্থিতি আৰু বিকাশৰ বিষয়ে এক সম্যক জ্ঞান লাভ কৰিব পাৰি চেমুৱেল বেকেট, ইউজিন আয়নেস্কো, আৰ্থৰ আদামভ, ঝ জেনে, ফাৰ্ণাণ্ডো আৰাবল, হেৰল্ড পিণ্টাৰ, এডৱাৰ্ড এলবী, গুণ্টাৰ গ্ৰাছ,

(৩) শইকীয়া, বসন্ত - 'আধুনিক নাট্য সাহিত্যৰ সুবাস', পৃ- ১১৮

Scanned by CamScanner

চিম্পচন আদি সফল নাট্যকাৰসকলৰ ৰচনাৱাজি সমূহৰ মাজেৰে।

চেমুৱেল বেকেটৰ ওৱেটিং ফ'ৰ গডো প্ৰথম অভিনীত হয় ১৯৫২। জেনেৰ (Genet) দ্য মেইডছ নামৰ নাটকখন প্ৰথমে ১৯৪৭ চনত পেৰিছত মঞ্চস্থ হৈছিল। আয়নেস্কোৰ বল্ড প্ৰিমাদোন্না আৰু আদামভৰ আগৰ নাটসমূহ পোন প্ৰথমবাৰৰ বাবে পেৰিছ চহৰতে মঞ্চস্থ হৈছিল, সেয়ে হয়তো পেৰিছক এবছাৰ্ড নাটকৰ জন্মভূমি বুলি কোৱা হয়।

ঝ জেনেৰ এখন বহু চৰ্চিত নাটক হৈছে দ্য ব্লেকছ। তেওঁৰ ভাষাত ক'বলৈ গ'লে নাটকখন a clown show আৰু True Picture born of a distored image ঝ টৰিডিট (১৯০৩) আৰু বৰিছ ভিয়ান (১৯২০-৫৯), ফ্ৰান্সৰ দুজন লেখত ল'বলগীয়া এবছাৰ্ড নাট্যকাৰ। ভিয়ানে দ্যা এম্পয়াৰ বিল্ডাৰছ নামৰ নাটকত মানৱৰ নিসংগতা আৰু মৃত্যুৰ পৰা মানৱে কিদৰে পলাই সাৰিব বিচাৰে তাক সুন্দৰভাৱে ফুটাই তোলাত সফল হৈছে।

ইটালীত জিনা বাজতী আৰু এজিও ডি এৰিকো, জাৰ্মানীত গুন্টাৰ গ্ৰাছ আৰু ওল্ড গেং হাইলেভচিমাৰক এবছাৰ্ড নাটকৰ গুৰিয়াল বুলি উল্লেখ কৰিব পাৰি। বৃটেইনৰ এবছাৰ্ড নাট্যকাৰ সকলৰ ভিতৰত এন এফ চিম্পচন, জেমছ চউন্দৰছ, ডেভিদ কেম্পটন আৰু হেৰল্ড পিন্টাৰ আদি প্ৰধান।

মানৱৰ আত্মানুসন্ধান, অহসায় নিসংগতা, অস্বাভাৱিক যন্ত্ৰণা ইত্যাদি উদ্ভটবোধ আৰ্থাৰ আদামভৰ দ্যা পেৰদি, দ্যা ইনভেনশ্বন, প্ৰফেছাৰ টাৰান আদি নাটকত স্পষ্টভাৱে ধৰা দি যায়হি।

ফাৰ্নাণ্ডো আৰাবেলৰ এবছাৰ্ড নাটকসমূহত ধৰ্মীয় আৰু নৈতিক বিধানৰ উদ্ভট তত্ত্বই প্ৰাধান্য লাভ কৰিছে। দ্যা অটোমোবাইল গ্ৰেভ ইয়াৰ্ড, দ্য টু এক্সিকিউচনাৰ্ছ আদি নাটকত ধৰ্মীয় আৰু নৈতিক বিধানৰ উদ্ভট তত্ত্বই ভুমুকি মৰা দেখা যায়।

জাৰ্মান নাট্যকাৰ গুন্টাৰ গ্ৰাছৰ (১৯২৭) প্ৰথম নাটক আংকোল (১৯৫৮) ত মৃত্যু বিষয়ক চিত্ৰসমূহ বিচাৰি পোৱা যায়। তেওঁৰ দ্য উইকেড কুকচ, ৰকিং বেক এণ্ড ফৰ্থ (১৯৬০) আদি নাটকত উদ্ভট নাট্যৰীতি ব্যৱহাৰ কৰা দেখা যায়।

পাশ্চাত্য সাহিত্যৰ পৰিৱৰ্তনৰ উত্তাল ঢৌৱে ভাৰতীয় সাহিত্যৰ পাৰতো খলকনি তুলিছিল। এই বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমেই আমি মাৰাথী নাট্য সাহিত্যৰ বহু খ্যাত বিতৰ্কিত নাট্যকাৰ বিজয় তেণ্ডুলকাৰৰ নাম বিশেষভাৱেউল্লেখ কৰিব লাগিব। এই গৰাকী লেখকৰ শান্ততা কৰ্ট চালু আহে নাটখনৰ বক্তব্য বা

Scanned by CamScanner

আংগিকৰ পৰ্যালোচনা কৰিলে নাটকখনক উত্তমশ্ৰেণী নাটকলৈ টানি আনিব পৰা যায়। এবছাৰ্ড ভাবাদৰ্শৰ সফল তৰুণ মাৰাথী নাট্যকাৰ মহেশ এলকুচওৱাৰে বিখ্যাত মাৰাথী সাহিত্য পত্ৰিকা সত্যকথাত কেইখনমান একাংক লিখি স্বীকৃত হৈছিল। ইয়াৰ পাঁচখন একাংক চুলতান গ্ৰন্থ নামে সংকলিত হয়। এইগৰাকী নাট্যকাৰৰ হলি, এক মহত্তাৰ্থচা খুন (এজন বৃদ্ধৰ হত্যা) আদি নাটকত ৰহস্যময়তা, অশ্লীলতা আৰু গভীৰ বিফলতা ভৰা মানৱৰ অসহায় মুহূৰ্তৰ উপলব্ধি হয় প্ৰতিটো ক্ষণতে। এলকুচওৱাৰৰ বাসনাকাণ্ড নাটকত আদিম পাপৰ এক ভয়াল বীভৎস অনুভূতিয়ে নাট্যকাৰৰ চেতনা বাঙ্কি পেলাবলৈ সক্ষম হৈছে। এই গৰাকী নাট্যকাৰ শেষ নাটক পাৰ্টিত লেখকে মানৱৰ চৰিত্ৰ, জীৱন জিজ্ঞাসা, কথোপকথন আৰু সমাজ ব্যৱস্থাৰ সুন্দৰ প্ৰতিফলন ঘটাইছে।

হিন্দী সাহিত্যত নাট্যকাৰ মোহন ৰাকেশৰ (১৯২৫-১৯৭২) নাম এবছাৰ্ড ভাবধাৰাৰ নাটক ৰচনাৰ ক্ষেত্ৰত ল'ব পাৰি। এইগৰাকী নাট্যকাৰৰ শায়দ আৰু হুঃ নামৰ নাটক দুখনে মানৱ জীৱনৰ নিঃসঙ্গ, ক্লান্ত, বাৰ্ধক্যৰ জ্বালা আদি আকুলতাৰে ফুটাই তুলিছে। তেওঁ কেইখনমান একাংকও ৰচনা কৰিছিল। অণ্ডে কে ছিলকে, চিপাহী কী মা, বহুত বড়া চওৱাল আদি উল্লেখযোগ্য একাংক।

তেলুগু নাট্য সাহিত্যত সাম্প্ৰতিক কালত নাট্যকাৰ দীনবন্ধুৱে যথেষ্ট সফলতা অৰ্জন কৰিছে। এইগৰাকী নাট্যকাৰৰ আজি নামৰ নাটকখনৰ আংগিকৰ অভিনৱত্ব লক্ষ্যণীয়।

উড়িয়া নাট্য সাহিত্যত সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ উড়িয়া নৱনাট্য আন্দোলনৰ গুৰিয়াল মনোৰঞ্জন দাসৰ নাম উল্লেখনীয়। অকাডেমী পুৰস্কাৰ বিজয়ী এইগৰাকী নাট্যকাৰে উড়িয়া সাহিত্যক বিশ্বৰ দৰবাৰৰ মাজমজিয়াত আসন দিবলৈ সমৰ্থ হৈছে। মনোৰঞ্জন দাসৰ বিখ্যাত নাটক বনহংসী, অৰণ্য ফচল, কাঠঘোঁৰা আদি চিৰস্মৰণীয় নাটক। মনোৰঞ্জন দাসৰ নাটকত মানৱৰ মিছা অস্তিত্ব, একক নিঃসঙ্গ জীৱন, অস্থিৰ হৃদয় অৰ্ধচেতন অৱচেতন মনৰ আলো-অন্ধকাৰময় ছায়াই অনবৰতে বিচৰণ কৰি ফুৰে।

উড়িয়া সাহিত্য জগতত আন এগৰাকী খ্যাতনামা নাট্যকাৰ জগন্নাথ দাসৰ সূৰ্যাস্ত পূৰ্ব্ব নাটকত আধুনিক মানৱ জীৱনৰ অন্তঃসাৰশূন্যতা, চৈতন্যৰ বিনাশ, বিকৃত সভ্যতাৰ বিকৃত মানসিকতাক উপলব্ধি কৰা যায়। এইগৰাকী নাট্যকাৰৰ ৰচনাত সাম্প্ৰতিক জীৱন চেতনা আৰু যুগ যন্ত্ৰণাৰ উমান পোৱা যায়। তেওঁৰ স্বৰ্গদ্বাৰ নাটকত জীৱন সংগ্ৰামত পৰাজিত পলাতক মানৱ চৰিত্ৰৰ সন্ধেদ পোৱা যায়।

বঙলা সাহিত্যৰ সফল নাট্যকাৰ বাদল সৰকাৰ (১৯৫২) নাট্যকাৰ হিচাপে

Scanned by CamScanner

প্ৰথমে পৰিচিত হয় তেওঁৰ বিখ্যাত এবং ইন্দ্ৰজিৎ (১৯৬) নামৰ নাটখনৰ জৰিয়তে। নাটকখন বঙলা সাহিত্যতে নহয় ভাৰতীয় সাহিত্যতেই এবছাৰ্ড নাটকৰ এক স্মৰণীয় দৃষ্টান্ত। আধুনিক মানৱ জীৱনৰ অৱসাদ, ব্যৰ্থতা, বিচ্ছিন্নতা, নিঃসঙ্গতা, শূন্যতা আদি নাটকৰ চৰিত্ৰবোৰৰ কাৰ্যকলাপৰ মাজেৰে সুন্দৰভাৱে বৰ্ণনা কৰি দিয়া হৈছে। পিছৰ নাটক বাকি ইতিহাস (১৯৬৭) নাটকখনতো এবছাৰ্ড নাটকৰ সৰহভাগ লক্ষণ বিদ্যমান। বঙলা সাহিত্যৰ এবছাৰ্ড ভাবাদৰ্শৰ আন নাট্যকাৰ আৰু নাটকসমূহৰ ভিতৰত মোহিত চট্টোপধ্যায়ৰ চন্দ্ৰলোকে অগ্নিকাণ্ড, বৰ্ণিক ৰায়ৰ, কয়েদখানা, স্ফুলিঙ্গ, দীপক মিত্ৰৰ অমৃতৰ পুত্ৰ, অৰুণ কুমাৰ চট্টোপধ্যায়ৰ আগন্তুক পদশব্দ, দীপক মজুমদাৰৰ বেদনাৰ কুকুৰ আৰু অমল, নভেন্দু সেনৰ নয়ান কবিৰ পালা, ইন্দ্ৰ উপধ্যায়ৰ টৰ ডেকটিল, প্ৰণৱ মিত্ৰৰ কণ্ঠস্বৰ আৰু ৰতন কুমাৰ ঘোষৰ নাটকসমূহ প্ৰধান। এই নাটসমূহত এৱাছাৰ্ডিটিৰ সৰহভাগ লক্ষণ স্পষ্ট। এই উল্লেখযোগ্য নাটসমূহত সমগ্ৰ মানৱৰ অসম্পূৰ্ণ অৱস্থা, নিঃসঙ্গতা আৰু বিফলতাৰ কৰুণ সুৰৰ মূৰ্ছনাই মানৱৰ হিয়াত কঠোৰ আঘাত কৰা দেখা গৈছে।

দ্বিতীয় মহাযুদ্ধৰ পিছত সাহিত্য জগতৰ পৰিৱৰ্তনৰ উত্তাল ঢৌৰ তৰংগই অসমৰ মঞ্চতো জোকাৰণি তুলিছিল। অসমীয়া নাট্য মঞ্চত এইবিধ নাটকৰ উপস্থিতি উপলব্ধি কৰা হয় ষাঠিৰ দশকৰ শেষ আৰু স্পষ্টভাৱে সত্তৰৰ দশকত। অসমীয়া ভাষাত অৰুণ শৰ্মাৰ আহাৰ (১৯৭১) এই ক্ষেত্ৰত উল্লেখনীয় প্ৰচেষ্টা। এইখন নাটকৰ পূৰ্বে অৰুণ শৰ্মাৰ ৰচিত নাট শ্ৰী নিবাৰণ ভট্টাচাৰ্য (১৯৬৭)ত সামান্যভাৱে হ'লেও এবছাৰ্ড নাটকৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই নাটকখনৰ শেষৰ ফালৰ দৃশ্য নিবাৰণ ভট্টাচাৰ্যই শূন্য চকীবোৰৰ সন্মুখত ভাষণ দিয়া দৃশ্যটোৱে বিখ্যাত এবছাৰ্ড নাট্যকাৰ আয়নেস্কোৰ দি চেয়াৰ্চ নামৰ নাটখন পুনৰ উপলব্ধি কৰাই দিয়ে। অৰুণ শৰ্মাৰ আহাৰ নামৰ নাটখনত এবছাৰ্ড নাটকৰ কৌশল অৱলম্বন কৰা পৰিলক্ষিত হয়। এই নাটখনত হস্পিতালৰ মৰ্গৰ পৰা চুৰি কৰি নি মনে মনে পুতিবলৈ থিৱাং কৰা মৃত নাৰীৰ গলিত শৱৰ দুৰ্গন্ধময় পৰিবেশ বৰ্ণনা কৰা হৈছে। সেই নিৰ্দিষ্ট শৱটোক লৈ চাৰিটা বিভিন্ন বৃত্তিৰ চৰিত্ৰই বিচৰণ কৰিছে নাটখনত। আহাৰ নাটকৰ মাজেৰে নাট্যকাৰে মানৱ জীৱনৰ চৰম নৈৰাশ্যক ফুটাই তুলিবলৈ চেষ্টা কৰিছে। এই নাটখনত আয়নেস্কোৰ আমেদি আৰু বাদল সৰকাৰৰ বঙলা নাটক পাগলা ঘোঁৰাৰ প্ৰভাৱ পৰা দেখা গৈছে। অংক আৰু দৃশ্য বিভাজনহীন আহাৰ নাটখনৰ আন এটি এবছাৰ্ডবাদী বৈশিষ্ট্য হ'ল কাব্যিকতা। চৰিত্ৰসমূহৰ মুখত দিয়া সংলাপত এই কাব্যিকতা বজাই

Scanned by CamScanner

ৰথাৰ সবল প্ৰচেষ্টা নাট্যকাৰ শৰ্মাই কৰা দেখা যায়। নাটখনৰ সংলাপৰ গীতিধৰ্মিতা আৰু ব্যঞ্জনাই নাটখনক উচ্চমানৰ শিল্পকৰ্মৰূপে প্ৰতিষ্ঠা কৰিছে।

চেমুৱেল বেকেটৰ বিশ্ববিখ্যাত নাট ওৱেটিং ফৰ গডোত এষ্ট্ৰাগন আৰু ভ্লাডিমিৰৰ কথা বতৰাত থকা অপেক্ষা শব্দটোৰ সঘন প্ৰয়োগৰ দৰে অৰুণ শৰ্মাৰ আহাৰ নাটকতো নবীন নামৰ ডেকাজনে অপেক্ষা শব্দটো একেবাহে ভালেখিনি পৰলৈ উচ্চাৰণ কৰি থকা দেখা যায়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে অসমীয়া নাট্যকাৰ অৰুণ শৰ্মাৰ ৰচনাত চেমুৱেল বেকেটৰ ওৱেটিং ফৰ গডোৰ প্ৰভাৱ কিছু পৰিমানে হ'লেও পৰিছে।

অসমীয়া নাট্য সাহিত্যৰ জগতত অভিনৱ বিষয়বস্তু আৰু আংগিকেৰে পৰীক্ষা-নিৰীক্ষা চলোৱা আন এজন উল্লেখযোগ্য নাট্যকাৰ হৈছে বসন্ত শইকীয়া। বসন্ত শইকীয়াৰ মৃগতৃষ্ণা (১৯৭৩), মানুহ আৰু অসুৰ (১৯৭৭) এবছাৰ্ড ভাবাদৰ্শৰে অনুপ্ৰাণিত হোৱা আন তিনিখন নাটক. মৃগতৃষ্ণাত দিগন্ত হাজৰিকা নামৰ এজন লোকৰ অৱচেতন মনত সংগোপনে লুকাই থকা কিছুমান অবুজ কামনা-বাসনাক ৰূপায়ণ কৰাৰ প্ৰচেষ্টা কৰা হৈছে। নাট্যকাৰ আয়নেস্কোৰ নাটকতো এনেধৰণৰ স্বপ্নময় আলোকৰ জগত বিচাৰি পোৱা যায়।

বসন্ত শইকীয়াৰ মানুহ নাটকখনক সম্পূৰ্ণ অৰ্থত এবছাৰ্ড নাটক বুলি ক'ব পাৰি। মানুহ নামৰ নাটকখনত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী জয়ন্ত আৰু মন্দিৰাৰ বনভোজৰ থলীত হোৱা কথা বতৰাৰে কাহিনী আৰম্ভ হৈছে। দুই অংকবিশিষ্ট এই নাটকখনত সাধাৰণ দৃষ্টিত অবিশ্বাস্য আৰু যুক্তিবিৰোধী পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে আৰু ইয়াৰ মাজেৰে নাটকীয় চিত্ৰকল্প বিকশিত কৰাত প্ৰাধান্য দিয়া হৈছে। এই নাটখনত নাট্যকাৰৰ উদ্দেশ্য হ'ল- মানৱ জাতি আৰু মানৱ সমাজৰ নগ্ন স্বৰূপ দাঙি ধৰি হিংসা-দ্বেষ, অসূয়া-অপ্ৰীতি আদিৰ কবলৰ পৰা উদ্ধাৰ কৰি এখন মুক্ত নিকা সমাজৰ মধুৰ কল্পনা কৰা। মানুহৰ মনত হিংসা আৰু কপটতাৰ বাঘে অবাধে বিচৰণ কৰি মানুহক বিষাক্ত কৰি দিছে। এই বিষাক্ত আবেষ্টনীৰ পৰা ওলাই আহি মানৱক প্ৰকৃত মানৱ হোৱাৰ কল্পনা কৰিছে নাট্যকাৰে। নাটখনত আধুনিক মানৱৰ মিছা দম্ভ অহংকাৰৰ বিফলতাক সুন্দৰ ভাৱে ফুটাই তুলিছে। বসন্ত শইকীয়াৰ মানুহ নাটকখনত আয়নেস্কোৰ গঁড় নাটকৰ স্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। আয়নেস্কোৰ নাটকত মানুহ যিদৰে গঁড়লৈ ৰূপান্তৰিত হৈছে, মানুহ নাটকতো মানুহে বাঘৰ ৰূপ গ্ৰহণ কৰা দেখা গৈছে।

নাট্য প্ৰভাকৰ সত্যপ্ৰসাদ বৰুৱাদেৱে তেখেতৰ আধুনিক নাট্য-চিন্তা নামৰ

Scanned by CamScanner

গ্ৰন্থত মানুহ নাটকৰ সম্পৰ্কত সমালোচনামূলক মন্তব্য কৰিছে এনেধৰণে ঃ 'নাটকৰ এই বহল কাহিনী বিন্যাসৰ পৰা নাট্যকাৰৰ প্ৰতিপাদ্য বিষয়টো সহজেই বুজিব পৰা যায়। কিন্তু এই চিন্তাধাৰাৰ উৎস ক'ত? মানুহ পুনৰ পশুৰ জগতলৈ উভতি যাব লাগিব এই প্ৰতিপাদ্য বিষয়টো দেখোতেই আচহুৰা দুৰ্বল যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত যেন লাগে। কিন্তু আয়নেস্কো আদিৰ দৰে যি সকলে এই ধৰণৰ নাট লিখিছিল তেওঁলোকে যুক্তিক আগ ঠাই দিব নোখোজে। আগ ঠাই দিয়ে অসংলগ্ন চিন্তা ধাৰাকহে, যাৰ গতি প্ৰকৃতি সতকাই ধৰা টান, তাৎপৰ্যও সহজে বুজিব নোৱাৰি। এওঁলোকৰ উদ্দেশ্যও লুকাই থাকে।' সেইকাৰণেই বোধ কৰো আধুনিক পৰীক্ষামূলক নাটকৰ বিষয়ে কওঁতে W.T. Armestrong এ কৈছে 'Going to theatre now a days is a hazardous occupation. There is a conspicuous back of a prevailing form, so that neither critic nor audience can assume what shape the play will be taken'[8]

মানুহ নাটকখনত নাট্যকাৰ বসন্ত শইকীয়াই আয়নেস্কোৰ কিছু প্ৰভাৱ নাটখনৰ শেষৰ ফালে পৰা বুলি পাতনিত উল্লেখ কৰিছে।

নাট্যকাৰ বসন্ত শইকীয়াৰ আন এখন এবছাৰ্ডধৰ্মী নাটক অসুৰত হৰনাথ চৌধুৰী নামৰ লোকজনৰ জীৱনত কৰা বহু অপকৰ্মৰ অন্তত অনুতপ্ত হৈ কিদৰে ধৰ্মত শৰণাপন্ন হৈ পাপ খণ্ডাব বিচাৰিছে তাক দেখুওৱা হৈছে। এইখন নাটকতো আয়নেস্কোৰ দি লেছন নাটখনৰ লগত ইয়াৰ শেষ দৃশ্যটো বহু পৰিমাণে মিল থকা দেখা যায়।

পাশ্চাত্য নাট্য সাহিত্যৰ এবছাৰ্ডবাদী ভাবাদৰ্শ বা উদ্ভট চিন্তাধাৰাৰ কোবাল বতাহে এইদৰে অসমীয়া নাট্য সাহিত্যক জোকাৰি যোৱা পৰিলক্ষিত হয়; যিয়ে আমাৰ দেশীয় কিছু নাটকক বিদেশী ভাবনা আৰু কলা-কৌশলৰ অভিনৱ পোছাক পৰিধান কৰাইছে। এইদৰে উপযুক্ত কলা-কৌশল আৰু ৰচনা ভংগীৰ সঠিক নিৰ্বাচনৰ লগতে সঠিক অনুকৰণে অসমীয়া নাট্যকাৰক এই দিশত সফল নাট প্ৰযোজনা কৰাত সহায় কৰিব।

Scanned by CamScanner